# 2025

# ASSAMESE

Course Name : অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাস (১৮২৬ চন পৰ্যন্ত)

Course Code : ASM-MAJ-1014/ASM-MIN-1014

Full Marks : 60

Time : $2^1/_2$ Hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমুকৈ উত্তৰ দিয়া ঃ ১×৮=৮

ক) ভাষাবিদ বাণীকান্ত কাকতিয়ে অসমীয়া ভাষা মধ্যভাৰতীয় আৰ্যভাষাৰ অন্তৰ্গত কোনটি প্ৰাকৃতৰ পৰা উদ্ভৱ হোৱা বুলি কৈছিল?

খ) অসমীয়া ভাষা সম্পৰ্কে কোনে প্ৰথম ঐতিহাসিক মন্তব্য আগবঢ়াইছিল

গ) 'অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী' নামৰ গ্ৰন্থখনিৰ লেখক গৰাকীৰ নাম কি?

ঘ) হস্তীবিদ্যাৰ্ণৱ গ্ৰন্থৰ লেখক কোন?

ঙ) বড়ুচণ্ডীদাসৰ 'শ্ৰীকৃষ্ণ কীৰ্তন' পুথিখন কিমানটা খণ্ডত বিভক্ত?

চ) হেম সৰস্বতীৰ পৃষ্ঠপোষক ৰজাজনৰ নাম কি?

ছ) কামৰূপী লোকগীত পৰিৱেশন কৰা এগৰাকী প্ৰসিদ্ধ শিল্পীৰ নাম লিখা।

ঙ) মাধৱদেৱৰ কোনখন নাটকৰ বাহিৰে বাকী কেইখন নাটকক ঝুমুৰা বোলা হৈছে?

২। চমু উত্তৰ দিয়া (**যিকোনো ছয়টা**) ঃ ২×৬=১২

ক) প্ৰত্ন অসমীয়া ভাষাৰ দুখন গ্ৰন্থৰ নাম লিখা।

খ) তোমাৰ পাঠ্য নিৰ্ধাৰিত চৰ্যাগীতটিৰ লেখক আৰু ৰাগটিৰ নাম লিখা।

গ) বৰগীতৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

ঘ) 'চোৰধৰা' ঝুমুৰাৰ বাহিৰে মাধৱদেৱে ৰচনা কৰা দুখন ঝুমুৰাৰ নাম লিখা।

ঙ) ঐৰাৱত হাতীৰ যিকোনো দুটা লক্ষণৰ কথা লিখা।

চ) পদ্য আৰু গদ্যত ৰচনা কৰা দুখন চৰিত পুথিৰ নাম লিখা।

ছ) মাগধী প্ৰাকৃতৰ পৰা উদ্ভৱ হোৱা দুটা নব্য ভাৰতীয় আৰ্য ভাষাৰ নাম লিখা।

জ) দুখন প্ৰাচীন অসমীয়া অনুশাসনৰ নাম লিখা।

*(Turn over)*

৩। চমু টোকা লিখা (**যিকোনো চাৰিটা**) ঃ ৫×৪=২০

ক) উদ্ভৱকালীন অসমীয়া ভাষা

খ) প্ৰাক শংকৰী যুগৰ সাহিত্যৰ বৈশিষ্ট্য

গ) বৰগীত

ঘ) পাঁচালী সাহিত্য

ঙ) অসমীয়া বুৰঞ্জী সাহিত্য

চ) 'গুৰুচৰিত কথা'ৰ ভাষা

৪। তলৰ যিকোনো **দুটা প্ৰশ্নৰ** উত্তৰ কৰা ঃ ১০×২=২০

ক) অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কে পোৱা মত সমূহ উল্লেখ কৰা। তাৰ ভিতৰত তোমাৰ মতে কোনটি মত গ্ৰহণযোগ্য সেই বিষয়ে আলোচনা কৰা।

খ) লোকগীত বুলিলে কি বুজা ? অসমীয়া লোকগীতৰ শ্ৰেণী বিভাজন দেখুৱাই এক আলোচনা দাঙি ধৰা।

গ) "ৰাম সৰস্বতীৰ সকলো ৰচনাৰ ভিতৰত অতি সৰল আৰু জনপ্ৰিয় কাব্য হ'ল ভীম চৰিত্ৰ। অসমীয়া গাঁৱলীয়া জীৱনৰ পটভূমিত এই অকণমান কাব্যখন ৰচিত হৈছে। লঘু হাস্য ৰসেই এই কাব্যৰ উপজীৱ্য।" - উক্ত কথাৰ আধাৰত গন্থখনিৰ বিষয়ে এক নিবন্ধ যুগুত কৰা।

ঘ) অসমীয়া গদ্য সাহিত্যৰ বিকাশত ভট্টদেৱৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

----